**NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-02-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

০০০০০০

Advantage Assam/RNU (15-02-2025, 1205)

অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভান্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বাবে ৰাজ্য চৰকাৰে যাবতীয় প্ৰস্তুতি চলাই আছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই শীৰ্ষ সন্মিলন সন্দৰ্ভত জনতা ভৱনত এখন সংবাদমেলৰ আয়োজন কৰিছে। ড০ শৰ্মাই এডভান্টেজ আছামৰ প্ৰথম সংস্কৰণৰ সফলতাৰ কথা উল্লেখ কৰি কয় যে এই শীৰ্ষ সন্মিলনৰ জৰিয়তে নতুন উদ্যোগ স্থাপনৰ এটা ধাৰা গঢ়ি উঠাৰ লগতে আন্তঃগাঠনিৰো যথেষ্ট বিকাশ হৈছে। দ্বিতীয় সংস্কৰণৰ জৰিয়তে ৰাজ্য খন অধিক উপকৃত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। ঝুমইৰ বিনন্দিনী অনুষ্ঠানৰ জৰিয়তে চাহ উদ্যোগৰ ইতিহাস উদ্‌যাপন কৰা হ'ব বুলি উল্লেখ কৰি ড০ শৰ্মাই কয় যে এই সন্মিলনত চাহ খণ্ডৰ বিকাশতো বিশেষভাৱে গুৰুত্ব দিয়া হ'ব। মুখ্যমন্ত্ৰীৰ সংবাদ মেলত মন্ত্ৰী বিমল বৰাও উপস্থিত আছে।

০০০০০

ৰাজ্য চৰকাৰৰ স্বচ্ছ আৰু মেধা ভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অবিৰত যাত্ৰাৰ অংশ হিচাপে আজি উচ্চ শিক্ষা সঞ্চালকালয়ৰ অধীনত ৫৮ গৰাকী সহকাৰী অধ্যাপকক নিযুক্তিপত্ৰ প্ৰদান কৰা হ'ব। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত বিয়লি চাৰি বজাত হ'বলগীয়া এই কাৰ্যসূচীতে মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত ৪ হাজাৰ ৫২৯ গৰাকী ঠিকাভিত্তিক শিক্ষকক স্থায়ী নিযুক্তিপত্ৰ প্ৰদান কৰা হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে শিক্ষা মন্ত্ৰী ড০ ৰণোজ পেগু উপস্থিত থাকিব।

০০০০০

ৰাজ্যৰ ৯৪৪টা পৰীক্ষা কেন্দ্ৰত আজি চলিত বছৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰম্ভ হৈছে। এইবাৰ মুঠ ৪ লাখ ২৯ হাজাৰ ৪৪৮ গৰাকী পৰীক্ষাৰ্থী এই পৰীক্ষাত অৱতীৰ্ণ হৈছে। ইয়াৰ ভিতৰত এক লাখ ৯০ হাজাৰ ৬৫৩ গৰাকী ছাত্ৰ আৰু ২ লাখ ৩৮ হাজাৰ ৭৯৫ গৰাকী ছাত্ৰী আছে। পৰীক্ষাৰ্থীৰ সংখ্যা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ ৩১টা অতিৰিক্ত পৰীক্ষা কেন্দ্ৰৰ ব্যৱস্থা কৰা হৈছে আৰু ৪২টা মূল্যায়ন কেন্দ্ৰত উত্তৰ বহী মূল্যায়ন কৰা হ'ব। এইবাৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ইংৰাজী, সমাজ বিজ্ঞান, সাধাৰণ বিজ্ঞান আৰু সাধাৰণ গণিত বিষয়ৰ অ' এম আৰ ছিটৰ চাৰিটাকৈ ছেট আছে।

০০০০০

সৌৰ শক্তিৰ ব্যৱহাৰেৰে কৃষি খণ্ডৰ সৰলীকৰণৰ লক্ষ্যৰে আৰম্ভ কৰা **পি এম কুসুম** আঁচনিৰ অধীনত পঞ্জীয়ণ আৰু আবেদনৰ বাবে পৰহিলৈ pmkusum.assam.gov.in শীৰ্ষক এটা পৰ্টেল মুকলি কৰা হ'ব।

ৰাজ্য চৰকাৰৰ জলসিঞ্চন বিভাগৰ সহযোগত অসম শক্তি উন্নয়ন অভিকৰণৰ দ্বাৰা ৰূপায়ণ কৰা এই আঁচনিৰ সুবিধাসমূহ গ্ৰহণ কৰিবলৈ কৃষকসকলৰ প্ৰতি ৰাজ্য চৰকাৰে আহ্বান জনাইছে। এই আঁচনিৰ অধীনত অতি পিছপৰা অঞ্চলৰ কৃষকসকলক সৌৰ পাম্প ব্যৱহাৰৰ সুবিধা প্ৰদানৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ নতুন আৰু পুনৰ ব্যৱহাৰ যোগ্য শক্তি মন্ত্ৰালয় তথা ৰাজ্য চৰকাৰৰ দ্বাৰা ৮৬ শতাংশ ৰাজ সাহাৰ্য প্ৰদান কৰা হ'ব। এই সুবিধা ন্যূনতম ২ হেক্টৰ সংলগ্ন কৃষি ভূমি থকাৰ লগতে কাৰ্যক্ষম ব'ৰিঙৰ ব্যৱস্থা থকা যিকোনো এজন কৃষক অথবা কৃষকৰ গোট বা পানী ব্যৱহাৰকাৰী সংস্থাই সুবিধা লাভ কৰিব পাৰিব।

ooooo

অসম চুক্তিৰ ৬ নম্বৰ দফা কাৰ্যকৰীকৰণ সন্দৰ্ভত কাইলৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত আলোচনা অনুষ্ঠিত হ'ব। এই বৈঠকত সাংবিধানিক ৰক্ষা কবচ সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠন কৰা উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদনক লৈ আলোচনা কৰা হ'ব। কাইলৈ দিছপুৰৰ লোকসেৱা ভৱনত এই আলোচনা অনুষ্ঠিত হ'ব। আলোচনাৰ বাবে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা, সাধাৰণ সম্পাদক সমীৰণ ফুকন আৰু মুখ্য উপদেষ্টা সমুজ্জল ভট্টাচাৰ্য্যলৈ আনুষ্ঠানিক আমন্ত্ৰণপত্ৰ প্ৰেৰণ কৰা হৈছে।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত **মই ৰেডিঅ' কিয় শুনো** শীৰ্ষক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ অধ্যাপক, সমাজকৰ্মী, প্ৰাক্তন উগ্ৰপন্থী নেতা আৰু সৰ্বসাধাৰণ ৰাইজে ৰেডিঅ'ৰ সৈতে তেওঁলোকৰ সম্পৰ্ক আৰু আকাশবাণীৰ পৰা তেওঁলোকৰ প্ৰত্যাশা সম্পৰ্কত মন্তব্য আগবঢ়াব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাতো অনাতাঁৰ মাধ্যম সম্পৰ্কত বিভিন্ন জনৰ মতামত আগবঢ়াব।

ooooo

বঙাইগাঁও শোধনাগাৰাত কালিৰে পৰা তিনিদিনীয়াকৈ পঞ্চদশ পুষ্প মেলা অনুষ্ঠিত হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত শোধনাগাৰ উপ-নগৰীৰ দুখনকৈ উদ্যানত ভিন্ন প্ৰজাতিৰ ফুলেৰে সুশোভিত হৈ পৰিছে। শোধনাগাৰৰ বিষয়া-কৰ্মচাৰী তথা পৰিয়ালৰ মাজত স্বচ্ছতা আৰু পাৰিপাৰ্শ্বিক পৰিৰেশ গঢ়ি তোলাৰ লক্ষ্যৰে এই পুষ্প মেলাৰ লগত সংগতি ৰাখি বিভিন্ন প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে।

ooooo